# তুমি

শ্রীঅখিল নিয়োগী

# 'তুমি'

শ্ৰীঅম্বিকাগিৰী ৰায় চৌধুৰী
বৰপেটা।

GOVERNMENT OF ASSAM
Call No..............
DISTRICT LIBRARY.

বেচ— ১৲ টকা

DISTRICT LIBRARY.

প্ৰকাশক—

আত্মবিকাশ ভৱন।
চানমাৰি, গুৱাহাটী।

১ম সংস্কৰণ— ১৯১৫ চন।
২য় সংস্কৰণ— ১৯৩৯ ,,
৩য় সংস্কৰণ— ১৯৪৯ ,,
৪র্থ সংস্কৰণ— ১৯৫৫ ,,

——নগাঁও বিহগৰ্জনি প্ৰেছত—
শ্ৰীভট্টদেৱ মহন্তৰ দ্বাৰা ছপা হল।

প্ৰথম সংস্কৰণৰ কথা।

# পাতনি

মনৰ মাজৰপৰা এইখন কি ওলাই পৰিছে ক'ব নোৱাৰো; কিন্তু এইটো হলে ভালকৈ জানো যে বিশৃঙ্খল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্ভ্ৰান্ত প্ৰেমটোৱেই শেষত সমজাতীয় সহানুভূতি আৰু অনুভূতিৰ ভিতৰেদি প্ৰকৃতিৰ উদাৰ সৌন্দৰ্য্য অতিক্ৰম কৰি; বিৰহ অভিমান আদি নানা অৱস্থাৰ মাজেদি সকলোবিলাক আসক্তিৰ হাত এৰাই অনন্তৰ জগত সান-মিহলি হৈ পৰে। ইতি—

বৰপেটা
২৭ চ'ত, ১৮৩৮ শক

শ্ৰীঅম্বিকাগিৰী ৰায় চৌধাৰী

DISTRICT LIBRARY,
TEZPUR

# উছৰ্গা

অনন্তৰ তুৱাৰ স্বৰূপ
যিজনে তেওঁৰ ভিতৰেদি আহি সুখ শান্তিৰ
অশেষ আধাৰ এই পৃথিৱীত খোজ
পেলাবলৈ সুবিধা দি জগতৰ
সৰল উদাৰ সৌন্দৰ্য্য
ভোগ কৰিবলৈকে
মোক
সমৰ্থৱান কৰি তুলিছে,
আন্তৰিক কৃতজ্ঞতাৰ চিন স্বৰূপে
সেই স্বৰ্গীয় পিতৃ দেৱতাৰ—
শ্ৰীচৰণক উদ্দেশ্য, কৰি
কল্পনাৰ পাৰত থিয় হৈ
এই
আঁজলিটো এৰি দিলোঁ ।

—অম্বিকা—

# দ্বিতীয় সংস্কৰণৰ কথা

ইং ১৯০৭ চনত ৰাজৰোষত যেতিয়া ৰাজনৈতিক গতি-মতি মোৰ স্তব্ধ হয়, তেতিয়াতে বৰপেটাত মোৰ প্ৰথম সাহিত্য চৰ্চ্চা আৰম্ভ হয়, আৰু এই "তুমি"য়েই তাৰ প্ৰথম নিদৰ্শন।

"তুমি"ৰ প্ৰথম সংস্কৰণ ছপা হয় ইং ১৯১৫ চনত ডিব্ৰুগড়ত। তেতিয়া ই শিক্ষিত সাহিত্যিক সমাজৰ মন বিশেষ ভাৱে আকৰ্ষণ কৰে, আৰু কম সময়ৰ ভিতৰতে ছপা এক হেজাৰ কিতাপৰ গোটেইখিনি বিক্ৰী হৈ শেষ হয়। ইয়াৰ পৰাই সাধাৰণতঃ সাহিত্য ক্ষেত্ৰত মই উৎসাহিত হোৱা উচিত আছিল। বিশেষকৈ এই "তুমি" আৰু আন কেইটামান কবিতা পঢ়ি, ভাৰতীয় আৰু য়ুৰোপীয় সাহিত্যত বিশেষ অধিকাৰ থকা মোৰ হিতাকাঙ্খী বন্ধু এজনে বহুদিন মোক এইদৰে কৈ উৎসাহিত কৰিছিল, যে মনপুতি কবিতা দেৱীক সেৱা কৰিলে, মই হেনো সহজতে সাহিত্যৰ নোবেল প্ৰাইজৰ বাবেও প্ৰতিযোগিতা চলাব পাৰিম। কিন্তু তাতো নহল।

ইং ১৯১৬ চনত ৰাজৰোষৰ বেড়ী গাৰ পৰা খহি পৰাত, পুনৰ ৰাজনৈতিক কোঢ়ালৰ মাজত মোৰ গতি সোমাই পৰে। তেতিয়া বহুজন বন্ধুই মোৰ ওপৰত বিতুষ্ট হৈ মন্তব্য প্ৰকাশ কৰে, যে মই সাহিত্য ক্ষেত্ৰৰ পৰা ৰাজনীতিত সোমোৱাটো অন্যায় হৈছে ; আৰু সেইবাবে মই হেনো অসম মাতৃৰ নষ্ট-পুৰা (Spoilt child)। কিন্তু মোৰ সাহিত্য-সেৱাত আৰ্থিক আৰু

যশ লাভৰ কোনো আকাংক্ষা নাছিল গতিকে, "তুমি" সম্পৰ্কে শিক্ষিত দেশবাসীৰ পৰা ইমানখিনি অনুগ্ৰহ আৰু উৎসাহ পাইও, সেইকালে মোৰ মন ঢাল খুৱাবলৈ নহল। আজি ২৫ বছৰ ধৰি সেইবাবে "তুমি" উঠি অহা শিক্ষিত ডেকা সমাজৰ চকুৰ আঁৰত পৰি আছিল। এতিয়া কলিকতা বিশ্ব-বিদ্যালয়ৰ দ্বাৰা কলেজৰ পাঠ্য হৈ নিৰ্ব্বাচিত হোৱাতহে "তুমি"ৰ ২য় সংস্কৰণ প্ৰকাশ কৰা হল।

"তুমি"ত সাহিত্য সম্ভাৰৰ কিমানখিনি সম্পদ আছে মই নাজানো। যদি কিবা আছে, তাত মোৰ কৃতিত্ব নাই, নিৰ্ব্বাচ-কৰহে কৃতিত্ব। কাৰণ, শামুকৰ পেটৰ শিল ডোখৰত মুক্তাৰ সম্পদ আছে বুলি জহুৰীহে তাক আহৰণ কৰে। শামুকৰ স্বাভাৱিক কাৰ্য্যই হৈছে মুক্তাৰ শিল উৎপাদন কৰা।

বৰপেটা
১৮৬১শক, ৮ শাওণ

শ্ৰীঅম্বিকাগিৰী ৰায় চৌধাৰী

# পাতনি

(১)

স্বদেশ প্ৰেমিক, পুৰণি "চেতনা" আৰু বৰ্ত্তমান "ডেকা অসম"ৰ সম্পাদক শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধাৰীক নজনা মানুহ অসমত নাই। তেওঁৰ স্বদেশ হিতৈষণা আৰু কৰ্ম্ম-গৌৰৱেই অসমৰ জনসাধাৰণৰ মাজত তেওঁৰ যথেষ্ট পাতনি। কিন্তু ৰায় চৌধাৰী দুভৰপীয়া পুৰুষ। তেওঁ এফালে যেনে প্ৰাণ-ঢালি দিয়া স্বদেশ কৰ্ম্মী, আন ফালে তেনে অতল স্পৰ্শী আবেগ পূৰ্ণ প্ৰেমৰ কবি। তেওঁৰ সুগভীৰ প্ৰেমেই তেওঁৰ বিশাল কৰ্ম্ম-প্ৰেৰণা।

"তুমি" কাব্য ৰায় চৌধাৰীৰ আধ্যাত্মিকতাৰ উজ্জ্বল চানেকী! "তুমি" কাব্যক কবিৰ বিশ্বৰূপ দৰ্শন বুলি কব পাৰি। ভগবদ্গীতাত ভক্ত অৰ্জ্জুনে শ্ৰীকৃষ্ণৰ বিৰাট মূৰ্ত্তিত বিশ্বৰূপ দেখা পাইছিল। ভগবান কৃষ্ণৰ বিৰাট ৰূপত অৰ্জ্জুনে পাহাৰ-পৰ্ব্বত, নৈ-সাগৰ, জীৱ-জন্তু, চন্দ্ৰ-সূৰ্য্য, তাৰকা মণ্ডলী আদি সকলো দেখিছিল। কিন্তু প্ৰকৃত কবিয়ে ভগবানৰ বিৰাট ৰূপত "তুমি" কাব্যত বৰ্ণিত সকলো বিশ্ব-সৌন্দৰ্য্যৰ সমাৱেশ দেখিলেহেঁতেন।

"তুমি" কাব্য সাতোটা ছেদত বিভক্ত। প্ৰথম তিনি ছেদ 'তুমি'ময় ভগবানৰ বিশ্ব-সৌন্দৰ্য্যৰ বৰ্ণনাৰে ভৰপূৰ। প্ৰথম ছেদত কবিয়ে ডেকা প্ৰেমিকৰ চকুৰে তুমি ভগবানত প্ৰেমিকাৰ সকলো সম্মোহন ইন্দ্ৰিয়গ্ৰাহ্য সৌন্দৰ্য্যৰ সমাৱেশ দেখিলে। তুমি-ৰূপী ভগবান "গাভৰুৰ গোলাপী গালত লাজৰ ৰাঙলী আভা",

তেওঁ "সুন্দৰীৰ ৰসাল বুকুত ৰসৰ প্ৰতিমা", তেওঁ "চেনেহীৰ চকুৰ চুকত এটি কেৰাহী কটাক্ষ" ইত্যাদি তৰুণ প্ৰেমিকৰ চিত্ত-প্ৰমাথী ইন্দ্ৰিয়গ্ৰাহ্য, ইন্দ্ৰিয়ভোগ্য বিচিত্ৰ সৌন্দৰ্য্যৰ সমাবেশ।

**দ্বিতীয় ছেদত** তুমি-ভগৱান মঙ্গলময় মাতৃস্নেহ, পত্নীস্নেহ, ভাই-ভনীৰ স্নেহৰ প্ৰতীক। তেওঁ "জননীৰ অন্তৰত সাদৰি সজাই থোৱা প্ৰেম", তেওঁ "আনৰ মুখে স্বামীটিৰ অধোগতি হোৱা শুনিলে মুক্তিৰ কল্পনা কৰি থকা পতি-প্ৰাণা সতী", তেওঁ

ভাই-ভনী মিলি কৰা
ফুলনিত সৰল ধেমালি,
হিয়াই হিয়াই বন্ধা
নিছিগা প্ৰেমৰ ডোল ডালি।

**তৃতীয় ছেদত** তুমি ভগৱানে সকলো প্ৰাকৃতিক সৌন্দৰ্য্যত স্বৰূপ প্ৰকাশ কৰিছে। তেওঁ "শাৰদীয় চন্দ্ৰমাৰ বই অহা ৰূপালী জোনাই", তেওঁ "পূৰ্ণিমাৰ পোহৰত ভাহি যোৱা সেউজী বননি" ইত্যাদি।

**চতুৰ্থ ছেদত** তুমি-ভগৱান সকলো জাগতিক ধৰ্ম্মৰ তত্ত্বময় মূল মন্ত্ৰ। তেওঁ "জগত জগাই তোলা ইন্দ্ৰজালৰ গীত", তেওঁ "আকাশ আগুৰি উঠি হিয়াৰপাৰ বাগৰা হেন্দোলনি", তেওঁ "তৃপ্তিৰ আমনি খোজা চঞ্চল-বাসনা"—ইত্যাদি।

**পঞ্চম ছেদত** তুমি আৰু কৱিৰ পৰস্পৰ সম্বন্ধ বিচাৰ। আউসীৰ আন্ধাৰত দুৰ্ভাগ নিশা সাৰ পাই কৱিৰ প্ৰাণ কঁপি উঠিল। অন্তৰ নিৰ্ব্বাক, ইন্দ্ৰিয় নিমাত, হৃদয়ৰ ভাব-পদুলি বিৰহত বন্ধা। মন-প্ৰাণ বিৰহত ছাটি-ফুটি কৰে, প্ৰেমনন্দনৰ সুশীতল জিৰণি নেপায়। ব্যথিত অন্তৰেৰে কৱিয়ে সুধিছে—

"কোন তুমি প্ৰেমময়
আঁতৰাই দ্বিধাচয়
জীৱনৰ কাণে কাণে আহি
জনালা জাননী ?"

বিৰহৰ ব্যথাৰে কবিৰ হিয়া ব্যাকুল। যিফালে চায় সিফালেই প্ৰেমৰ অভিব্যক্তি,—

"যেনিয়া যিফালে চাওঁ
প্ৰেমকেহে দেখা পাওঁ—
অসীমৰ বিৰাট অঞ্চল
ৰঞ্জিত প্ৰেমত।"

কিন্তু ইমান পৰে, ইমান দিনে, ইমানদুৰ বিয়াপি থকা মিলন-আবেগ সুৰ কবিয়ে শুনিলে—

"মিলন আবেগ সুৰ
বিয়পি ইমান দূৰ
শুনিলোঁ,— কৰুণা বিন্দুৰ
নাপালোঁ আশ্ৰয়।"

কিয় ? এই প্ৰশ্নৰ সমাধানেই "তুমি" কাব্যৰ কেন্দ্ৰস্থ ভাব। তুমি-ভগৱানৰ বিশ্ব-সৌন্দৰ্য্যত কবিয়ে অসীমৰ বিৰাট অঞ্চল প্ৰেম-ৰঞ্জিত দেখিলে, কিন্তু ভগৱানৰ বিমোহনৰূপ কবিয়ে উপলব্ধি কৰিব পৰা নাই। কিয়নো কবিৰ মনত যি প্ৰেম আছিল, সি—

"কামনাৰ তলতীয়া
কামনাত মজলীয়া
সেই প্ৰেম মহা পৰাধীন
ইন্দ্ৰিয় ভোগৰ।

তাতেহে তাহানিখন
নাপালোঁ। তোমাৰ মন
নকৰিলা প্ৰকাশ তোমাৰ
বিমোহন ৰূপ।”

কৱি আছিল বাসনাৰ আঁৰত, ভগৱান আছিল বাসনাৰ সিপাৰত ; বাসনাই কৱি আৰু ভগৱানৰ মিলনৰ প্ৰধান অন্তৰায়।

ষষ্ঠ ছেদত প্ৰেমিক আৰু তুমি-ভগৱানৰ সম্পূৰ্ণ মিলনৰ উপায় নিৰ্দ্দেশ আছে।

‘নিজক বিলাই দিব
তাতেহে নিজক পাব
প্ৰাণৰ মাজত;
নিজক দিলেহে এৰি
প্ৰাণৰ আপোন হব
সকলো বিশ্বত।”

কামনা বিলোপেই আত্মোপলব্ধিৰ একমাত্ৰ উপায়। এয়েই গীতাৰ নিষ্কাম ভাৱ, বৌদ্ধৰ নিৰ্ব্বাণ। বাসনাৰ ব্যৱধান গুচিলে “তুমি” আৰু “মই”ৰ, ভক্ত আৰু ভগৱানৰ. প্ৰেমিক আৰু প্ৰেমিকাৰ পাৰ্থক্য নেথাকে। “তুমি”য়েই “মই”, “মই”য়েই “তুমি”। ঋষি বাক্যত “তত্ত্বমসি”— জগতত যত যি আছে সকলো “তুমি”ময়। এয়েই “তুমি” কাব্যৰ প্ৰধান তাৎপৰ্য্য।

কৱিয়ে বাসনাৰ অন্তৰায় গুচিলত নিজৰ প্ৰাণৰ মাজতেই ‘তুমি’ময় সৌন্দৰ্য্যৰ প্ৰতিমা উপলব্ধি কৰিলে—

“নিমাত নিশাত কত
উজাগৰে থাকি থাকি
উগ্ৰ আবেগত,

নেদেখা শুনা সেই
চাওঁ প্ৰতিমাটি ৰাখি
প্ৰাণৰ মাজত।"

*　　　*　　　*

"আদিহীন অন্তহীন
মোতে দেখোঁ গঁথা তব
পূৰ্ণতাৰ পাৰ ?"

*　　　*　　　*

"তোমাত হৃদয় মোৰ
মোত আক তযু হিয়া
ৰাখিছা প্ৰকাশি।"

*　　　*　　　*

"মোৰে ভিতৰেদি দেখোঁ
ফুলি উঠে তযু নাম
ব্ৰহ্মাণ্ড বিদৰি।" ইত্যাদি।

কবিয়ে "মই"ৰ ভিতৰতেই "তুমি"ৰ সকলো ৰূপ, সকলো বিভৱ প্ৰতিভাত দেখিলে।

সপ্তম ছেদত সাধনাৰ সিদ্ধিত কবিৰ আত্মপ্ৰসাদৰ তাৰ প্ৰকাশ

"আজি মোৰ সাধনা-ফুলনি,
কাৰ কিনো পাই উদগনি
পোহৰাই মহা বিশ্বখনি
উলাহেৰে হাঁহিছে।

(২)

"তুমি" মন-গঢ়া কৃত্রিম কাব্যৰ পুথি নহয়। প্ৰেমিক ৰায় চৌধাৰী ডেকা বয়সত ছেলী, বায়ৰণ আদি ইংৰাজ ৰোমাণ্টিক কবিসকলৰ দৰে বহুতবাৰ প্ৰেমত পৰিছে, ওপঙিছে, সাঁতুৰি পাৰ লৈছে। "তুমি" কাব্য ৰায় চৌধাৰীৰ কোনোবা বিশিষ্ট নাৰী মূৰ্ত্তিৰ প্ৰতি প্ৰেমৰ সম্মোহন অনুভূতিৰ স্বৰূপ প্ৰকাশ।

নাৰীৰ প্ৰেমৰ ভিতৰেদি বিশ্বনাথৰ ৰূপ আৰু আকৰ্ষণ উপলব্ধি কৰা কাব্য-জগতৰ ইতিহাসত বিৰল নহয়। ইটালীৰ মহা কবি ডাণ্টে, বিয়েট্ৰিচ্ নামৰ ৰূপহী ছোৱালী একনীৰ প্ৰতি প্ৰেমৰ ভিতৰেদি ঈশ্বৰৰ সাক্ষাৎ পাইছিল বুলি তেওঁৰ মহা কাব্য "ডিভাইন ক'মেডি"ত (Divine comedy) বৰ্ণনা কৰিছে।

ৰায় চৌধাৰীৰ "তুমি" গুৰিৰ পৰাই বিশ্বনাথৰ স্বৰূপ। "সকলো তুমিয়ে নাথ, জগতত দেখিছোঁ যিমান।" কিন্তু এই স্বৰূপৰ প্ৰথম কলাই হৈছে প্ৰেমিকাৰ বিচিত্ৰ সৌন্দৰ্য্যচ্ছটা। সাতোটা ৰশ্মিৰ সমষ্টিত সূৰ্য্যৰ সকলো পোহৰ প্ৰকাশ হোৱাৰ দৰে "তুমি" কাব্যৰ সাতোটা ছেদত কৱিৰ কল্পিত বিশ্বনাথৰ বিশ্ব সৌন্দৰ্য্যৰ সাতোটা কলা প্ৰকাশ হৈছে।

"তুমি" কাব্য বিৰাট ভাবৰ খলকনি এটিৰ পৰা ওলাইছে। ইয়াৰ সকলো ছেদতেই আশ্চৰ্য্য, তন্ময়তাৰ ভাৱ, শিলৰ ওপৰেদি ত্বৰিত গতিত ছিটিকি পৰা জল-প্ৰপাতৰ তৰঙ্গ ভঙ্গৰ দৰে দশাক্ষৰী ক্ষিপ্ৰগতিৰ ছুটি পদবোৰে অনুভূতিৰ তীব্ৰতা বিচিত্ৰ সৌন্দৰ্য্যময়ী ভাৱাৰে প্ৰকাশ কৰিছে।

শ্ৰীবাণীকান্ত কাকতি

১৮।৭।৩৯

# তুমি

তুমি লাজৰ ৰাঙলী আভা
গাভৰুৰ গোলাপী গালত ;
তুমি শান্তিৰ জিৰণি থিনি
চেনেহীৰ বাহুৰ তলত
তুমি চুমাৰে উপচি উঠা
লাহৰীৰ ৰঙচুৱা ওঁঠ,
তুমি চুমাৰে ৰাঙলী চৰা
প্ৰেমেৰে আপ্লুত মনোৰথ ।
তুমি সুৰদি কটাক্ষ এটি
সুন্দৰীৰ পদুমী চকুত ;
তুমি অমিয় মাধুৰী সনা
মুখখনি সুন্দৰ নিখুঁত ।
তুমি মনে মনে উঠি অহা
চেনেহীত চুমাৰ হেঁপাহ ;
তুমি প্ৰেমিকাৰ নিৰাশাত
প্ৰেমিকৰ অন্তৰৰ দাহ ।
তুমি ৰসৰ প্ৰতিমা খনি
সুন্দৰীৰ ৰসাল বুকত ;
তুমি মিচিকীয়া হাঁহিখিনি
প্ৰেমিকাৰ মধুৰ মুখত ।

তুমি উগুল থুগুল হোৱা
বিলাসৰ গাভৰু একনী;
তুমি আবেগেৰে ভৰপূৰ
বিৰহীৰ বুকুৰ কঁপনি।
তুমি বিলাসী বিচাৰি ফুৰা
বিলাসিনী বিয়াকুল হই;
তুমি খোজেপতি সুন্দৰীৰ
সৌন্দৰ্য্যৰ সোঁত পৰা বই।
তুমি দুৰ্ণিৰ প্ৰেমিকৰ
হেঁপাহৰ ব্যগ্ৰ হিয়াখনি;
তুমি বিৰহিনী, অন্তৰত
মিলনৰ বলিয়া কঁপনি।
তুমি মিলনৰ প্ৰথমতে
লাজুকীৰ কঁপি উঠা বুক;
তুমি সুন্দৰীয়ে সুন্দৰত
মিলনৰ তৃপ্তিহীন সুখ।
তুমি নিতম্বিনী সাদৰীৰ
নিতম্ব-চুম্বিত চুলিকোছা—
দেখুৱাই অন্তৰত
অতৃপ্তিৰ মহাচিত্ৰ ৰচা।
তুমি প্ৰেমেৰে উথলি উঠা
সোণালী বুকুত ৰসধাৰ,
তুমি প্ৰেমিকাৰ অধৰত
ৰাখি দিছা মহাভোগ কাৰ?

তুমি   ৰাঙলী ওঁঠেদি অহা
  মিঠা মিঠা মধুৰ হাঁহিটি;
তুমি   শুই উঠা সুন্দৰীৰ
  চকুটিৰ অলস পাহিটি।
তুমি   মুকুতা টোপাল এটি
  প্ৰেমিকাৰ বিচ্ছেদী চকুত;
তুমি   প্ৰেমৰ মদিৰা সানি
  গঢ়ি উঠা সুন্দৰী নিখুঁত।
তুমি   মোলান তুলালি বাহু
  ধুই দিয়া সোণালী সোঁতেৰে;
তুমি   শীতল পৰশ এটি
  এৰি দিয়া হেঙুলী হাতেৰে।
তুমি   জোনালী আঙুলিকিটি
  ৰূপহীৰ সোণালী হাতত;
তুমি   প্ৰাণৰ মিলন-ৰস
  ঢালি দিয়া প্ৰেম কটাক্ষত।
তুমি   ডেকাৰ প্ৰাণত থকা
  গুপুত হেঁপাহ বুজি পাই;
  মিলন-বলিয়া বুকু
  এৰি দিয়া ওচৰ চপাই।
তুমি   প্ৰেমিকৰ চুমা পাই
  ৰোহপতা আদৰীৰ গাল,
তুমি   সেন্দুৰৰ ফোঁট পিন্ধা
  সাদৰীৰ সাঁজলী কপাল।

তুমি প্ৰেমৰ খেমালি খেলি
উজাগৰ খপা চকুটিত
চঞ্চলতা সানি মোক
নিচুকোৱা কল্পনা-পাটিত ?
তুমি সুগহীন ৰজনীত
প্ৰেমিকৰ মধুৰ সাক্ষাত ;
তুমি বিলাসত বুৰি পৰি
মাতি অনা শান্তিৰ প্ৰভাত।
তুমি শুকুলা এখনি গাল
সানি দিয়া উষালী ৰহণ ;
তুমি কিশোৰী ষোড়শী বালা
আলেঙে ইঙ্গিত দিয়া মন।
তুমি পলাশী ওঁঠৰ পৰা
আথেবেথে বাগৰি বাগৰি
পমি ষোৱা কথা খিনি
প্ৰেমিকৰ অন্তৰত পৰি।
তুমি আধা খহা বিহাখনি
সুন্দৰীৰ উঠঙ্গা বুকুত
তুমি প্ৰেমিকক সপি দিয়া
প্ৰাণখনি প্ৰাণৰ সুখত।
তুমি গোলাপী গালত শোভা
শাৰী শাৰী মুকুতাৰ ঘাম,
বিয়াকুল কৰি মোক
সুষমা ঢালিছা অবিৰাম।

তুমি চঞ্চল এজুৰি চকু
আলিঙ্গন বিচাৰি বিচাৰি;
তুমি গভীৰ ধ্যানত ৰহি
পৰি থোৱা প্ৰেমৰ পূজাৰী।
তুমি টিপতে সৰকি পৰি
সপোনৰ প্ৰেম কুঞ্জখনি;
লয়লাসে নাচি আছি
বুকুত সাৱতি ধৰা জনী।
তুমি আকুল প্ৰেমিক জন
প্ৰেমিকাক আকোঁৱালি ধৰা;
লাজত পৰাই তুলি
গালখনি গুলুপীয়া কৰা।
তুমি দাপোন আগত লই
চাই চাই আপোন মাধুৰী,
মিচিকি মিচিকি হাঁহি
মুগ্ধ হোৱা ৰূপহী লাহৰী।
তুমি মিলনতে মজি পৰা
ক'লা ক'লা ভুৰুৰ টিঙত
মদনৰ শৰ টানি
প্ৰেম-তৃষ্ণা জগোৱা প্ৰাণত।
তুমি বসন্তৰ চুমা পাই
বিলাসিনী ষোল বছৰীয়া
আউলী বাউলী হোৱা
মিলনত হই মতলীয়া।

তুমি হিয়াত সামৰি লই
কাৰ এনে উদ্‌ভ্ৰান্ত হৈঁপাহ,
সুন্দৰীৰ ত্ৰিবলীত
সাজি আছা সৌন্দৰ্য্যৰ বাঁহ?
তুমি নিটোল নিতম্ব খনি
খোজে পতি উঠা কঁপি কঁপি;
তুমি সুখেৰে নিমগ্ন তাত
মিলনৰ মন্ত্ৰ জপি জপি।
তুমি কেৰাহি কটাক্ষ এটি
চেনেহীৰ চকুৰ চুকত;
তুমি চুমাৰ হেঁপাহ এটি
ভৰপূৰ জোনালী বুকত।
তুমি প্ৰেমেৰে ভৰাই ৰাখি
সুন্দৰীৰ ক'লা চকুজুৰি
জ্বলাকলা কৰি কিয়
এইদৰে মাৰা মোক পুৰি?
তুমি কিয়নো লুকাই থাকি
সাদৰীৰ ভুৰুৰ মাজত,
অতৃপিতি উদগোৰা
মোৰ প্ৰেম-দগ্ধ হৃদয়ত?
তুমি কিহেৰে ভৰাই ৰাখি
সুন্দৰীৰ সুন্দৰ নাসিকা,
লাহেকে' বোৱাই দিয়া
চুমা এটি দিবৰ বেলিকা?

### তুমি

তুমি বিমল মেখলা ফালি
বই পৰা ৰূপহীৰ ৰূপ ;
তুমি হেমালী উদ্ধত বহি
সাজি থকা সৌন্দৰ্য্যৰ কুপ।
তুমি বোৱাই হেমেজুধাৰ
লাহৰীৰ লৱণু গালেৰে
সৰজি সুষমা কিয়
বান্ধা মোক বিৰহ ডোলেৰে ?
ৰাতিটোৰ ভিতৰেদি
ভাবি ভাবি ভাগৰি ভাগৰি,
তুমি কল্পনাত খেলা মোৰ
প্ৰেমখেলা ৰাগৰি ৰাগৰি।
তুমি জুমুক জানাক খোজে
কাষত কলসী লই আহি,
এটিপতে অন্তৰত
উদগোৱা অতৃপ্তিৰ বাঁহী।
তুমি চুচুক-চামাক কই
সুবিমল বিহাৰ আঁৰত,
কাৰনো মু'খনি আহা!
থই দিছা পমাই কিহত ?
তুমি ওৰণি আঁতৰ কৰি
মিচিকিয়া মিঠা মুখ খনি
প্ৰেমিকৰ গাত ঢালি
এৰি দিয়া ৰসাল চাৱনি।

DISTRICT LIBRARY.
TEZPUR

তুমি তৃপ্তিৰ কটাক্ষ এটি
চাই লোৱা সুৰদি ছেগত ;
তুমি লৰহু দুখনি ভৰি
খোজ কঢ়া সুমন্দ বেগত ।
তুমি মিলনৰ কথা শুনি
টলমল নতুন কিশোৰী ,
তুমি লাজেৰে দুখনি গাল
ৰঙা কৰি মাৰা মোক পুৰি ।
তুমি চাওঁনে নাচাওঁ কই
চকুজুৰি ওৰণি আঁৰত ;
তুমি হাহোঁনে নাহাহোঁকই
মুখখনি ওলোমা প্ৰেমত ।
তুমি পৰোঁনে নপৰোঁকই
প্ৰেমিকৰ ওচৰত হালি ;
তুমি ফুলোঁনে সুফুলোঁকই
পাট-গাভৰুৰ বুকু ফালি ।
তুমি খাওঁনে নাখাওঁকই
চুমা এটি ভেজাল গালত ;
তুমি যাওঁনে নাযাওঁকই
কাষ চাপি কুঞ্জৰ আঁৰত ।
তুমি গাওঁনে নাগাওঁকই
বিৰহৰ গুপুত সঙ্গীত ;
তুমি পাওঁনে নাপাওঁকই
বিনোদিনী সুন্দৰীৰ চিত ।

# তুমি



তুমি কওঁনে নকওঁকই
প্ৰাণ ভৰা মিলনৰ কথা;
তুমি হওঁনে নহওঁকই
হিয়া খনি মোৰে স'তে গঁথা
তুমি দিওঁনে নিদিওঁকই
মতলীয়া মিলন-ইঙ্গিত;
তুমি পিওঁনে নিপিওঁকই
প্ৰেমৰস, ফালি মোৰ চিত।
তুমি বিলাসৰ ভুমুকনি
মাৰোঁনে নামাৰোঁকই এটি;
তুমি তেজেৰে এখনি গাল
পৰোঁনে নপৰোঁকই ফুটি।
তুমি প্ৰেমিকৰ ভাৱখিনি
বুজোঁনে নুবুজোঁকই থাকি;
তুমি অতীতৰ প্ৰেম স্মৃতি
থাকোঁনে নাথাকোঁকই ৰাখি।
তুমি লৰালৰি ধৰি লই
সুন্দৰীৰ সুশীতল হাত;
ওচৰ চপাই আনি
লগোৱা প্ৰেমৰ মউমাত।
তুমি বহুত দিনৰে পৰা
সাঁচি ৰাখি প্ৰাণৰ মাজত
চেনেহীক আকোঁৱালি
ঢালি দিয়া চুমা অবিৰত।

তুমি সুন্দৰৰ সন্মুখত
সুন্দৰীৰ মিঠা হেয়লাস
তুমি ডেকাৰ তৃপিতি ভোগ
বেঢ়ি থকা ৰূপহীৰ কায।

সকলো তুমিয়ে নাথ!
জগতত দেখিছোঁ যিমান
লোৱা এই অশ্রু টুপি
ভেদি অহা মুগুধ পৰাণ।

—×—

## ২

তুমি জননীৰ অন্তৰত
সাদৰি সজাই থোৱা প্রেম;
তুমি আইৰ কাষত কৰা
সৰু কালি সুৱাগৰ ভেম।

তুমি নিপোটল পুত্র এটি
দুধ পোৱা দীপ্লিপ্ গাত;
তুমি স্নেহৰ চুমাটি থাই
বুলুৱাহি জননীৰ হাত।

তুমি আদৰৰ উলাহত
জননীত অভিমান কৰি,
একেটি গুৰ্নি লৰা
কান্দি থকা ধূলিত বাগৰি।

তুমি পুত্ৰৰ জীৱন-খনি
জননীৰ অমৃত বুকত ;
তুমি তৃপ্তিত বিমোঢ় হই
ধৰি থকা সাৱতি মুখত।

তুমি নিৰ্দ্দয় ৰোগত পৰি
হই পৰা লালকাল লৰা ;
তুমি ভাত পানী এৰি থই
স্নেহৰ জননী আল ধৰা।

তুমি পুত্ৰৰ মঙ্গল হেতু
অন্তৰৰ বীণখনি বাই,
মঙ্গলক আৰাধনা
নিতে কৰা মৰমৰ আই।

কেঁচুৱা লৰাটি যদি
কান্দি কান্দি পৰে গৈ ভাগৰি,
তুমি দেহী ঐ! দেহী ঐ! বুলি
আঁকোৱালি লোৱা গই দৰি।

তুমি ভাত-পানী বাঢ়ি থই
কামত নিমগ্ন পোৱ যাবে
নঙলাৰ ফালে চাই
ৰই থকা চেনেহৰ মাধে।

বুকুত সাৱটি ধৰি
চালুকীয়া স্নেহৰ সন্তান,
তুমি নিচুকোৱা আইজনী
গাই মিঠা নিচুকনি গান।

তুমি খঙ উঠা আই মোৰ
গালি পাৰি খেদোৱা দূৰত ;
সেই খঙ পমি গ'লে
টানি লোৱা পুনু ওচৰত।

নজনা! দোষত থাই
জননীৰ কৃত্রিম চাপৰ,
তুমি ভেম ধৰি কান্দি কান্দি
যোৱা— বুলি "নাচাপোঁ ওচৰ।"

তুমি ধূলি-মাটি ধুই মেলি
যোপাটিক পিন্ধোৱা কাচোন ;
—ক্ষুদ্র হিয়াখনি তবু
ভৰপুৰ প্রেমেৰে মাথোন।

হাজাৰ হলেও খণ্ড
সন্তানৰ ওচৰত তো'ৰ,
তুমি ভালৰ কাৰণে তাৰ
ভাবি থকা আই জনী মোৰ।

কিজানি কেতিয়া আহে
পৰবাসী পুত্ৰৰ বাতৰি,
তুমি তাকে ভাবি ৰ'ই থাকা
সকলো ভাবনা কাতি কৰি।

তুমি মৃত্যুৰ-শৰত পৰি
আতুৰ বিননি এৰি দিয়া।
তুমি পুত্ৰৰ মঙ্গল মাথোঁ
ভৰপূৰ জননীৰ হিয়া।

গুণবান্ পুত্ৰটিৰ
শান্ত স্নিগ্ধ চকুযুৰি চাই,
তুমি সুখৰ কল্পনা কত
ভাবি থাকা মনে মনে গাই।

অন্তৰ ফুলনি তব
নানা পুণ্য গোন্ধেৰে ভৰাই,
তুমি ঘৰৰ সকলোটিকে
চাই লোৱা প্ৰেমেৰে পুৰাই।

মনত বেজাৰ পায়
বুলি কোনো এটি পৰিয়াল,
তুমি কত যতনেৰে ৰাখা
আঁতৰত দ্বন্দ-খৰিয়াল ।

আপোন স্বামীক যাতে
থব পাৰা সুখত বুৰাই,
তুমি কিমান কল্পনা ফুল
ৰাখি থোৱা অন্তৰ ভৰাই ।

তুমি প্ৰেমৰ মূৰতি স্বামী
লোৱা মহা কৰ্ত্তব্য শলাগি ;
তুমি ভাৰ্য্যা, পুত্ৰ, বন্দী, বেটী,
সকলোৰে অদৃষ্টৰ ভাগী ।

সন্তান ভাৰ্য্যাৰ যত
দুৰ্ভাগ্যৰ তীব্ৰ অভিযোগ,
তুমি নিমাতে সামৰি লই
আনন্দ মনেৰে কৰা ভোগ ।

দুৰ্ব্বৃত্ত স্বামীৰ কত
সহি থাকি উগ্ৰ অত্যাচাৰ,
তুমি ভগা হিয়া খনি লই
খোজা তাৰ মুকুতিৰ পাৰ ।

শুনিলে আনৰ মুখে
স্বামীটিৰ হোৱা অধোগতি,
তুমি মুক্তিৰ কল্পনা কত
কৰি থাকা পতিপ্ৰাণা সতী ।

স্বামীৰ চেনেহ পাই
সুখুজি বেলেগ একো সুখ,
তুমি শান্তিৰ ভঁৰাল ভাবি
চাই থাকা তাৰে মাথোঁ মুখ ।

তুমি ভাই-ভনী মিলি কৰা
ফুলনিত সৰল ধেমালি;
তুমি হিয়াই হিয়াই বন্ধা
নিছিগা প্ৰেমৰ ডোল ডালি ।

তুমি আধ-ফুটা মাতখিনি
দীপলিপ শুৱনি লৰাৰ;
তুমি ভেমৰ ভনীটি মোৰ
সুগোন্ধী শেৱালি বিছনাৰ ।

তুমি থুনুকা ভৰিৰে কাঢ়ি
ভঙা ভঙা খোজ দুটি এটি,
হাঁহি হাঁহি কৰা সুখে
জননীৰ কাষলই গতি ।

তুমি আছুৰা ভনীটি মোৰ
উদাসিনী কূট ভাব লই,
ঢালি দিয়া প্ৰাণখনি
সকলোৰে ওচৰত গই।

আঁতৰাই ৰাখি থই
শত্ৰু-মিত্ৰ ভাব যতবোৰ
তুমি সবাকো বিলোৱা হিয়া
প্ৰাণৰ ভনীটি আহাঁ মোৰ!

প্ৰেমৰ সুগোন্ধ সানি
সমনীয়া স'তে মিলি জুলি,
তুমি ধূলা ভাত খেলি দিয়া
প্ৰকৃতিক প্ৰেমেৰে আবুলি।

আইৰ-পিতাৰ পৰা
টানি আনি সকলো সুগুণ,
তুমি সকলোৰে অন্তৰত
সানি দিয়া কল্পনা নিপুণ।

তুমি করুণা ৰঞ্জিত হিয়া
সমাজৰ পুৰুষ উদাৰ;
নিছলা জনক দিয়া
দেখুৱাই মুকুতিৰ পাৰ।

তুমি ধীৰ, স্থিৰ মহাজন
খাটি খাটি গোটেই জীৱন;
সমাজক উজ্জলোৱা
ঢালি ঢালি জ্ঞানৰ কিৰণ।

তুমি কাৰনো কি কথা শুনি
অন্তৰৰ গুপুত কুঞ্জত,
জ্বালি দিয়া প্ৰেম-জুই
সমাজৰ অপ্ৰীতি পুঞ্জত ?

তুমি সাধনাৰ কঠোৰতা
জীৱনৰ পূৰ্ণৰূপ হেতু,—
তুমি ব্যৰ্থ কৰা ভাঙি তাক,
কামনাৰ ক'লা ধুমকেতু।

তুমি কলিজা উভাৰি লোৱা
নিদাৰুণ প্ৰচণ্ড টানেৰে—
তুমি ৰসাল হৃদয় থাপি
নিচুকোৱা আনন্দ গানেৰে।

কিমান ধেমালি তুমি
খেলি আছা মুকলি মনেৰে,
প্ৰণাম কৰিছোঁ লোৱা
বিৰহ দগধ পৰাণেৰে।

## ৩

তুমি শাৰদীয় চন্দ্ৰমাৰ
ৰই অহা ৰূপালী জোনাই;
তুমি গাভৰু ফুলনিখনি
সুগোন্ধেৰে আঁচল ভৰাই।

তুমি বিজুলীৰ হাঁহিখিনি
ভুমুকোৱা লাহ বিলাহত;
তুমি আকাশৰ ৰামধনু
জুই আলি বিৰহী মনত।

তুমি মেঘৰ ওৰণি টানি
ঢাকি থোৱা লাহৰী ৰজনী;
তুমি বিজুলী হাৰেদি গাঁথি
বান্ধি দিয়া বজ্ৰৰ গাজনি।

তুমি মলয়াত বলি যোৱা
ৰিব্ ৰিব্ শীতল জুৰণি;
তুমি গ্ৰীষ্মৰ মূৰত উঠি
অগ্নিময় প্ৰচণ্ড পোৰণি।

তুমি হুকাৰে উপচি পৰা
বাৰিষাৰ ভৰপূৰ নৈ;
কিমান তৰঙ্গ তুলি
মিলি পৰা সাগৰত গৈ।

অন্তৰৰ আনন্দত
তুলি কত হাঁহিৰ লহৰি,
সাৰটি সকলোটিকে
বই যোৱা বাগৰি বাগৰি।

তুমি পূৰ্ণিমাৰ পোহৰত
ভাহি যোৱা সেউজী বননি;
তুমি সুমধুৰ পঞ্চমত
বুৰি থকা তৃপ্তিৰ ৰিনিনি।

তুমি কাৰনো ইঙ্গিত পাই
নামি অহা শান্তিৰ প্ৰভাত?
তুমি উষাৰ সোণালী সোঁত
বই পৰা ধৰণীৰ গাত।

তুমি গোলাপীৰ গোন্ধ পাই
মুগ্ধ হোৱা ভোমোৰা প্ৰেমিক;
তুমি প্ৰকৃতিৰ যৌৱনত
সুখেৰে বিহাৰ কৰা পিক্।

তুমি শুৱনি শেৱালি জুপি
ৰূপে গুণে জাবৰ মুখত;
তুমি শুকুলা বৰণ শোভি
মালতীৰ কোমল বুকত।

তুমি প্ৰফুল্ল পথাৰ খনি
ভৰপূৰ সোণালী ধানেৰে;
তুমি ধেমালীৰ ঢৌ খেলি
ফুৰা তাত আনন্দ মনেৰে।

তুমি কৰ্ম্মশ্ৰান্ত হৈঁপাহত
ৰ'ৰহীয়া মউ-মিঠা আম;
তুমি তোমাৰে তৃপ্তিৰ হেতু
সনা তাত ৰস অবিৰাম!

তুমি শৰতৰ কপালত
সুৰদি সন্ধিয়া নিৰমল;
তুমি চাৰিফালে ভাহি ফুৰা
এফেৰি সুষমা সুবিমল।

তুমি নিপোটিল চন্দ্ৰ দেখি
পূৰ্ণিমাৰ পূব আকাশত;
পছিমীয়া মুখ খনি
হৈ উঠা ৰাঙলী লাজত।

তুমি ৰসাল মেঘৰ শাৰী
হাঁহি হাঁহি পিলিকি পিলিকি;
বিচাৰি বেলিৰ চুমা
ভাহি ফুৰা জিলিকি জিলিকি।

সুনীল শূন্যৰ সেই
চন্দ্ৰাৱলী স্নিগ্ধ পোহৰত ;
তুমি বিয়াকুল চকোৰিণী
আশা পালি থকা বিষাদত।

নতুন যৌৱন আৰু
প্ৰকৃতিক সঁপি দিবা বুলি,
তুমি নীৰস জাৰেদি চেপি
লোৱা তাৰ অলঙ্কাৰ খুলি।

শীতৰ শেষত এই
হাড়ে ছালে লগা প্ৰকৃতিক,
তুমি ধাৰাসাৰে ঢালি দিয়া
বৰষুণ ৰসাল অধিক।

অদৃশ্য তুলিৰে তাতে
সানি পুনু বিচিত্ৰ ৰহণ,
তুমি মনে মনে উদগোৰা
প্ৰকৃতিত নতুন যৌৱন।

দেখুৱাই প্ৰকৃতিৰ
ৰসভৰা গুপুত অন্তৰ,
তুমি সোঁৱৰাই দিয়া কিয়
স্মৃতি সেই মহা বসন্তৰ ?

আলিঙ্গন পাই এটি
পূর্ণিমাৰ স্নিগ্ধ কিৰণৰ,
তুমি বুকৰ কাঁচলি এৰি
আঁতৰোৱা বিৰহ প্ৰাণৰ।

সামৰি বুকত কাৰ
এটি মাথোঁ নোচোৱা পৰশ,
সন্ধিয়াৰ গাল খনি
হৈ উঠে ইমান সৰস?

তুমি সুন্দৰী মানিনী উষা
ভেম পাতি যাব খোজা উৰি;
অৰুণৰ টান পাই
পৰি যোৱা তাৰ গাত পৰি।

তুমি একোটি পদুম ফুলি
একেখনি বিলৰ বুকত;
তুমি অনন্ত কল্পনা কত
উচটোৱা কবিৰ প্ৰাণত।

তুমি এটি মাথোঁ চুমা খাই
প্ৰকৃতিৰ বিমল গালত,
অনন্ত মাধুৰী কত
তুলি দিয়া তাৰ আঁচলত।

তুমি এখনি জগত ৰাখি
আঙুলিৰ একেটি মুৰত
আকটি আনত ৰাখি
দুয়োটিকে গাঁথিছা প্ৰেমত।

তুমি উগ্ৰ, দগ্ধ, তপ্ত, তীব্ৰ
ভেৰা পোৰা মৰু এডুখৰি,
টিপতে মিচিকি মাৰি
কৰি তোলা সুৰসাল কৰি।

তুমি আকাশত গীত গাই
উৰি ৰোৱা চৰাই এজুৰি;
তুমি ব্যাধৰ কঠুৱা চিত
বিহৰ কাঁৰেদি মাৰা পুৰি।

কাৰ কথামতে সানি
সন্ধিয়াত সোণালী ৰহণ,
তুমি বিয়াকুল কৰি তোলা
সুন্দৰীৰ সৰস যৌৱন?

তুমি ধুনীয়া পাৰিবে কাটি
মালতীৰ মনমোহা পাত;
তুমি গোলাপৰ গোন্ধৰেণু
ৰঙা ৰঙা পাহিটিৰ হাত।

তুমি বাৰিষাৰ পাতনিতে
আকাশত গোমোলা ওৰণি.
তুমি সুনীল সাজেৰে সাজি
অনন্তৰ অশেষ দুৰণি।

তুমি আকাশৰ দীপ্ত বেলি
খোজ লোৱা প্ৰচণ্ড বেগত;
কৰ্ত্তব্য-হুঙ্কাৰ মাৰি
সচকিত কৰিছা জগত।

তুমি ওন্দোলা মেঘৰ শাৰী
ঢলি পৰা পানীৰ ভৰত;
তুমি তুলিছা সৰস কৰি
ধৰণীক শুকান পৰত।

তুমি কোৱাছোন কিয় উষা
উৰি যায় আকাশৰ পিনে?
কাৰনো আশাই তাক
বিয়াকুল কৰে দিনে দিনে।

তুমি সংখ্যাহীন তাৰকাৰ
মিচিকি মিচিকি হাঁহিখিনি
অবিৰাম ঢালি আছা
হৃদয়ৰ পদ্ম-পাহি জিনি।

তুমি কি বিশাল! কি বিৰাট!
মহানীল সীমাহীন শূন্য ;—
তুমি কি গুৰু গূঢ় ৰহস্য!
কি তত্ত্ব কৰিছা প্ৰতিপন্ন?

তুমি চন্দ্ৰৰ দাপোন খনি
সুবিমল স্বচ্ছ সৰসীত ;
তুমি লৰনু লতিকা ডালি
সুমধুৰ বাসন্তী বাঁহীত।

তুমি প্ৰকৃতিৰ পয়োভৰ
বাৰিষাৰ উথলা বুকত ;
তুমি সবাৰো মিলন মালা
গাঁথি দিছা প্ৰেমৰ ডোলত।

তুমি তোমাৰে বিচিত্ৰ ৰূপ
মুহূৰ্ত্তৰ অমূৰ্ত্ত বুকত,
তুমি অসীম সৌন্দৰ্য্য ৰাশি
বিকাশিছা নিচলা চুকত।

তুমি তৃপ্তিহীন আলোকেৰে
ভাহি যোৱা প্ৰেমৰ প্ৰান্তৰ ;
তুমি প্ৰকৃতি পয়োধৰত
সুবিমল শূন্য নীলাম্বৰ।

তুমি অৰুণ-মোহিনী উষা
ভেম পাতি থোৱা উৰি এৰি,
তুমি কিয় পুনু পাচে পাচে
খেদি থোৱা লাল-কাল পৰি ?

তুমি কিহেৰে সজাই ৰাখি
প্ৰকৃতিৰ শীতল শেতেলি,
ৰমণ কৰিছা তাত
বৈচিত্ৰৰ সৌন্দৰ্য্য বুটলি ?

তুমি বিলাসিনী প্ৰকৃতিৰ
বুকুভৰা সীমাহীন ভক্ত ;
তোমাৰে তৃপ্তিৰ হেতু
থাকা তুমি তাত মহা মত্ত ।

তুমি ব্ৰহ্মাণ্ড আঙুৰি থকা
অন্তহীন তাৰকাৰ মালা ;
নিজৰ তেজেৰে নিজে
পুৰি মৰা হৈ জ্বলা-কলা ।

সেইদিনা শৰতৰ
সুবিমল জোনী পুৱাই,
তুমি দেখাই মোহিনী চিত্ৰ
তুলিছিলা প্ৰাণ নচুৱাই ।

তেতিয়া অৰুণ এই
মোল মেলি প্ৰাণৰ তৰপ.
তুমি অনন্তৰ চাৰ মাৰি
উজ্বলালা আনন্দ পুৰৰ।

তুমি অমৃত ওঁঠৰ পৰা
বগৰাই চুম্বনৰ ধাৰ,
ওপচালা চেনেহেৰে
হৃদয়ত প্ৰেম পাৰাবাৰ ।

তুমি তেতিয়াৰে পৰা মোক
দিয়ে আছা প্ৰেম আলিঙ্গন;
মোৰে স'তে গাঁথি দিছা
অন্তহীন বিশ্বৰ প্ৰাঙ্গন ।

তুমি কাহানিৰ কেতিয়াবা
কল্পনাত পোৱা এটি কথা ;
তুমি অনন্ত প্ৰেমৰ খনি
ক্ষুদ্ৰ মোৰ হৃদয়ত গঁথা ।

সকলোতে তোমাৰেহে
দেখা পাওঁ মঙ্গল মু'খনি ;
তুমি লোৱা ভক্তি অন্তৰৰ
মই মহা মুকধ পৰাণী ।

## ৪

সুন্দৰী সুৰাগী ঊষা চুচুক চামাক ;—
মোহিনী মিচিকি মাৰি ভুমুক ভামাক ;
উজ্জ্বলায় পূবাকাশ
ইঁহুৱায় চাৰি কাষ—
কি ইন্দ্ৰজালৰ গীত জগাই জগত,
বাজি উঠে কাৰবাৰ অমৰ তানত।

আলাহু * জগত ভৰা বিপত্তি বিলাই,
আকুল ৰাগিনী শুনি উঠে সাৰ পাই।
লৰালৰি অন্তৰৰ
প্ৰেমপূৰ্ণ শলাগৰ
সঁপি দিয়ে আঁজলিটি তযু চৰণত,
উটাই নিৰাশা মানে দূৰ অতীতত।

আকাশ আগুৰি কত উঠে হেন্দোলনি ;
ৰাগৰে হিয়াৰ পাৰ,— বাগৰে কুলনি
কিবা মহা বসন্তৰ ;
—অচিনাকি অনন্তৰ
বুৰাই বিচিত্ৰ কুঞ্জ প্ৰেমৰ সোঁতেৰে
নিচুকায় চঞ্চলতা গম্ভীৰ গীতেৰে।

---

* আলাহু— এলেহুৱা।

সুবিমল সুশীতল সুৰদি পুৱাতে,
মৃদু মন্দ সমীৰণ নাচে পাতে পাতে।
—সেই মহা যুগমীয়া
বিৰহৰ হুমুনীয়া
বিয়াকুল কৰি আছি অনন্ত চেতনা,
সৰজে উদাস এটি বিশ্বাট বেদনা।

তেতিয়ানো কেনে এটি নিমাত ৰাগিনী
বাজি বাজি অন্তৰত উঠে ৰিণি ৰিণি।
লগে লগে আৰু এটা
অতৃপিতি মুধা-ফুটা
ভঙা চিঙা কল্পনাৰ বুকু সৰকাই,
হাঁহি উঠে হৃৰযেৰে বিশ্ব পোহৰাই।

তেতিয়া কল্পনা মোৰ কত ভাব ধৰি,
বিচিত্ৰ ৰূপেৰে যেন লাজুকী লাহৰী,
সজাগি সুপ্ত পৰাণ,
গাই কি মধুৰ গান,
লাহে লাহে মেলি মেলি হিয়াৰ দুৱাৰ,
জনায় জাননী মহা জীৱন পুৰাৰ।

তুমিয়ে কাতৰ হোৱা তোমাৰ দুঃখত,
পমি যায় প্ৰাণ পুনু তোমাৰে সুখত।

দয়াময় নাথ তুমি,
সৌন্দৰ্য্যৰ পুণ্য ভূমি—
অনন্ত ৰহস্য ভৰা আলোকৰ সোঁত
উজলাই দিয়া তুমি মনে মনে মোত।

কাৰবাৰ কিবা এটি গুপ্ত ইঙ্গিতত
সৰসী সুন্দৰী নাচে স্তব্ধ উলাহত।
যেন মহা উৎসৱৰ
ফুলাই তুলিব ভৰ,
পাতিছে সৰসী এই মহা আয়োজন;
লগে লগে জনকাই জগতৰ মন।

শান্তিহীন ই জগত কেনে হৰষেৰে
লগতে সজাগি উঠে উগ্ৰ উলাহেৰে!
সৰসী একণমান,
সামৰি অসীম প্ৰাণ,—
বিস্ময়ৰ কিযে৷ চিত্ৰ আঁকি অন্তৰত,
ফুলায় অমৃত-ফুল শূন্য জীৱনত।

চঞ্চল বাসনা মানে বাগৰি বাগৰি,
তৃপ্তিৰ আমনি খোজে— কঁ:চলি কাষৰি
বিচিত্ৰ ৰসেৰে ভৰা,
প্ৰকৃতি-বুকুৰ পৰা;—

পখি যাৰ খোজে তাৰ অমিয় প্ৰেমত;
—ধনিয়া জীৱন কিন্তু সীমাৰ মাজত।

বৈচিত্ৰ-তুলিকা টানি আঁকা বিশ্বখনি,
সুখ-দুখ ভৰা কত বিলাপ-বিননি।
অন্তৰ আঙুৰি ধৰে,
জীৱন বিভ্ৰান্ত কৰে;
—আপোন চাকি লই প্ৰাণৰ খাটনি,
"নাইৰ" মাজত তোলে "আছে"ৰ পাতনি।

সেউজীয়া ঘাঁহনিৰ বিমল বুকত
বিশ্বৰ হ'হ ছবি ফুলে নিয়ৰত।
মোৰো আক তেজিয়াই
অন্তৰত ওপচাই,
বিৰাট মধুৰ এটি ভাব নিৰমল,
দগ্ধ জীৱনত ঢালে শান্তি সুশীতল।

তোমাৰ অনন্ত এই ক্ষেত্ৰ অভিনয়:—
খেলিছা কিমান খেলা প্ৰেম পুণ্যময়!
কত ৰূপ ধৰি তুমি,
সৰজি সৌন্দৰ্য্য তুমি,
ভাঙি ছিঙি লাও হোৱা লুব্ধ প্ৰাণ মোৰ,
কৰি তোলা প্ৰাণ ভৰা শান্তিত বিভোৰ।

সহায়-সম্পদ হীন ক্ষুদ্র ই জীৱন,
সমুখত দেখি কিবা অজানা ৰতন,
সুখ-শান্তি কাতি কৰি
নানা বাট ধৰি ধৰি,
মিছাতে ভৰমি মৰে অনন্ত জগত,—
পূৰ্ণৰূপে আছে কিন্তু হিয়াৰ মাজত।

জগতৰ তাল ভঙা ক্ষুদ্ৰ ঢউ মানে,
আলোকিত কৰি দিয়ে মহা বিশ্ব গানে।
কিয় পুনু ক'ৰ পৰা
অচিনাকি ভাব ভৰা
মনে মনে গাঁথি গীত হিয়াৰ চুকত,
তুলি থয় বিশ্বভৰা শান্তিৰ মুখত?

সুন্দৰীৰ সৌন্দৰ্য্যোৰে মচা মুখখনি,
দেখুৱাই কিবা এটি অতৃপ্তিৰ খনি,
হিয়াৰ হেঁপাহ মানে
বিয়াকুল কৰে কেনে!—
—জীৱনৰ শিতানত কি এটি আবেগ,
অহা-যোৱা কৰে ধৰি মৃদু মন্দ বেগ।

চেপাখোৱা প্ৰাণ মোৰ সুকুঙা হাজাৰ,
নিতউ সোমায় কত বিলাই বেজাৰ;—
তুমি নাথ! মনে মনে
নিচুকাই ঘনে ঘনে,

সীমা বন্ধা সৌন্দৰ্য্যৰ চনকা বুকত
লয় কৰা অসীমৰ অমৰ চুকত।

জীৱন তো সৌন্দৰ্য্যৰে মোকোহা গঠন—
—অতৃপ্তি উটাই নিয়া অব্যৰ্থ যতন।
বাহিৰৰ বেণু এটি
অন্তৰত ফুলি উঠি,
মিলনৰ মহা ৰেখা তুলিব জলাই,
সীমাৰ মাজত ৰাখি অসীম লুকাই।

অনন্ত ৰহস্য মানে তোমাত লুকাই,
বৈচিত্ৰৰ ভিতৰেদি উঠে সাৰ পাই;—
তুমিয়ে বিকাশ হোৱা,
তোমাতে সামৰি লোৱা,
তোমাৰে নো লুকাভাকু কত ৰকমৰ
আঁৰত আলোকি উঠে বিশ্ব-দুৱাৰৰ।

অনন্ত অনাদি এই ৰহস্য-ভঁৰাল
আগুৰি তোমাৰে তৃপিভিৰ চাৰিফাল,
পলকে পলকে ফুলি
জীৱন জগাই তুলি,
সৰজে অসীম কত সৌন্দৰ্য্যৰ ভূমি,
হিয়াৰ সাধনা হেৰা! ৰহস্যময় তুমি।

DISTRICT LIBRARY
TEZPUR

কি স'তে বান্ধিছা নাথ! ভীষণ হেঙাৰ,
সৌন্দর্য্য উপচি পৰা ছাবত তোমাৰ?
নাজানানে দয়া-মায়া?
আকুল এথনি হিয়া
বিৰহৰ বহ্নিময় বেলিৰ তলত,
তোমাকে ধিয়ান কৰি বিভোৰ ভাবত।

নাজানানে মৰে তযু বিলাস-ফুলনি?
বুক-ভঙা বিৰহত শান্তিৰ জুৰণি?
কিয় মোক হেলা কৰি,
কোন কি দেশত পৰি,
কি সুখেৰে আছা হেৰা সুন্দৰ অমৰ?
পৰিছেনে কোবা বাক জুৰণি প্ৰাণৰ।

৫

কাৰ কিনো আহ্বানত,
আঁউসীৰ আন্ধাৰত,
সাৰ পাই দুভাগ নিশাত
কঁপিল পৰাণ;-
ভাবৰ কতনো ৰেখা,
অন্তৰত দিলে দেখা,
বিৰহৰ তীব্ৰ বেদনাত
বিকল পৰাণ।

উগুল থুগুলকৈ
মন্দিৰৰ বাজ হৈ
থিয় দিলোঁ দুৱাৰ মুখত—
—উদাস চঞ্চল ;

শুনিলো কি এটি সুৰ,
বিয়াপি সুদূৰ দূৰ,
বিনাইছে কিহৰ দুখত
কঁপাই অঞ্চল।

ঘন ক্ষুব্ধ আন্ধাৰৰ
আলোড়ি স্তব্ধ অন্তৰ
বাজিছে আকুল ৰাগিণীটি
কিবা আৱেগত

নিৰ্ব্বাক অন্তৰ মোৰ
নিমাত ইন্দ্ৰিয় বোৰ
হৃদয়ৰ ভাৱ পদুলিটি
বন্ধা বিৰহত।

তাহানিৰে অতীতৰ
প্ৰেমাপ্লুত সঙ্গীতৰ
জলে কেনে বিমোহিনী ৰেখা,
বিলাসি বিলাসি ;

আকুলি স্মৃতিৰ পাৰ
বিৰহ-বাতৰি কাৰ,
ঝিলিকি ঝিলিকি দিয়ে দেখা,
বিকাশি বিকাশি।

নিজম প্ৰকৃতি এই
প্ৰেমত আকুল হই
লইছে মেলানি উলাহত
কাৰ কোন কালে;

কি ৰাগিণী কি বাঁহীৰ,
কি মাধুৰী কি হাঁহিৰ
কি মদিৰা সানি সি সুৰত
প্ৰাণ চমকালে?

হৃদয়ত কোনে কাৰ
বোৱাই সুধাৰ ধাৰ
আঁকে চিত্ৰ স্নিগ্ধ সুবিমল?
উজ্জল সুন্দৰ!

মম প্ৰাণ সকলোটি
বিৰহত চাটি-ফুটি,
নাপাই জুৰণি সুশীতল
প্ৰেম নন্দনৰ।

কোন তুমি প্ৰেমময়
আঁতৰাই দ্বিধাচয়,
জীৱনৰ কাণে কাণে আহি
জনালা জাননী ?

ব্যথিত অন্তৰ মোৰ
প্ৰেমেৰে কৰি বিমোহ,
সান্ত্বনাৰ পৰশেৰে আহি
বিলালা জুৰণি ।

কত নিশা এইদৰে
কল্পনাৰ সোঁত পৰে
ওপচাই হিয়া কুঞ্জখনি
আপেৰেথে নামি,

ভাৱনাৰ ভাগৰত
ভেমভৰা সুৰাগত
চেপা খাই থকা প্ৰাণখনি
উঠিছিল ঘামি ।

কি ৰাগীত মুগ্ধ হৈ,
দুৱাৰত ৰৈ ৰৈ,
খুজিছিলোঁ তৃপ্তিহীন প্ৰেম,
আকুল প্ৰাণেৰে ;

নিফুট হাঁহিটি মাৰি,
বহে আহি কাষ পাৰি,
পুনু আৰু কৰি মিঠা ভেম,
টিপতে আঁতৰে।

নিৰাশাত ডেই-পুৰি
বিৰহৰ বীণা জুৰি,
আবেগত প্ৰাণ খনি মোৰ
পাচে পাচে লৰে ;

লয়লাসে গুচি যায়,
ঘূৰি ঘূৰি আৰু চায়,
শতগুণে বাসনা প্ৰাণৰ
ভাগি ছিগি পৰে।

প্ৰেমৰ আঁজলি ধৰি,
কাকুতি-মিনতি কৰি,
প্ৰাণ খুলি মাতিলে হুনাই
প্ৰাণৰ গানেৰে ;

লয়লাসে হাঁহি হাঁহি,
লাজুকী খোজেৰে আহি,
বিশ্বজয়ী বীণধনি বাই
আঁকোৱালি ধৰে।

কৈ কত মিঠা কথা,
মচি দিয়ে দুখ-বেখা,
প্ৰাণভৰা প্ৰেম পৰশেৰে,
অন্তৰৰ পৰা ;

থিতাতে সান্ত্বনা পাওঁ,
সকলো পাহৰি যাওঁ ;—
দেখি পাওঁ মহা হৰষেৰে
হাঁহি উঠে ধৰা ।

কত দিন সন্ধিয়াৰ
সাগৰটি সুনীল পাৰ,
কান্দে এটি বিমোহন গান
বিনাই বিনাই ;

ইপাৰত বৈ বৈ
শুনিছিলোঁ স্তব্ধ হই,—
তুলিছিল প্ৰতিধ্বনি তান
বিৰহী হিয়াই ।

অন্তহীন সুনীলৰ
অতল পাৰাবাৰৰ
যদি হয় উগ্ৰ আৰকাল *
প্ৰেম-পৰশত ।

---

* আৰকাল— হাঁহাকাৰ ।

যেতিয়া যিফালে চাওঁ,
প্ৰেমকেহে দেখা পাওঁ,—
অসীমৰ বিৰাট অঞ্চল
ৰঞ্জিত প্ৰেমত।

বিয়াকুল বিৰহীৰ
বিদূৰে যেথাৰ ভিৰ,
মিলনৰ হালুক গীতত
হিয়া পৰে জুৰ।

ৰহস্য ৰঞ্জিত ৰেখা
অন্তৰত দিয়ে দেখা,—
উন্মাদিত চুমাৰ চাঁতত
তৃপ্তি ভৰপূৰ!

তথাপি বেদনা এটি,
অন্তৰৰ অনুভূতি
জিকাৰি উগ্ৰতা, উঠে বাজি
হিয়াৰ চুকত;

হিয়াৰ সাধনা সেই,
সি যেন নহয় এই—
প্ৰেমেৰে অৰেও বিশ্ব বাজি
জীৱন মুখত।

হৃদয়ৰ ভিতৰেদি
অসীম অম্বৰ ভেদি.
তপ্ত, তীব্ৰ, তিক্ত বিৰহৰ
উঠে ভমকনি ;

ভীষণ নিৰাশা আহি
লৈ বিশ্বগ্ৰাসী হাঁহি,
ছিঙি ভাঙি বাসনা প্ৰাণৰ
তোলে চমকনি।

তুনাই সাধিলে আৰু
আহি নয়নাসে চাৰু,
থিয় দিয়ে চকুৰ আগত
—সুন্দৰ মধুৰ!—

তথাপিনো কাৰ বাবে
চিৰ্ৰেৰে নিষাত বায়ে
প্ৰাণে মোৰ? কাৰ বিৰহত
অন্তৰ বিধুৰ?

তেতিয়ানো কিয় কোৱা!
এনেদৰে বিনি কোৱা
সিপাৰত জীৱন সিন্ধুৰ
নেদেখিলো হায়!

মিলন আবেগ সুখ,
বিয়াপি ইমান দুখ
সুগুনিলোঁ ;— কৰুণা বিন্দুৰ
নাপালো আশ্ৰয় ?

বুজিছোঁ বুজিছোঁ বাৰু
নালাগে নকবা আৰু,
সেই প্ৰেম নাছিল স্বাধীন,
নিখুঁত যোগৰ।

কামনাৰ তলতীয়া,
কামনাত মতলীয়া
সেই প্ৰেম মহা পৰাধীন
ইন্দ্ৰিয় ভোগৰ।

তাতেহে তাহানিখন
নাপালোঁ তোমাৰ মন,
নকৰিলা প্ৰকাশ তোমাৰ
বিমোহন ৰূপ ;

সেইবাবে বিৰহৰ,
ঢালি দিলা মহাভৰ ;—
আত্মাবেদি ঢাকিলা হিয়াৰ
প্ৰেম পুণ্য ধুপ।

তাতেহে তেতিয়া তুমি,
প্ৰকৃতি-আঁৰত থুমি,
অতৃপ্তিৰ উদগালা ভাৱ,
মহাধন বুলি ;—

হৃদয়-ফলিত আহি,
মনে মনে হাঁহি হাঁহি,
আঁকি দিলা বাসনাৰ চাব
জীৱন আকুলি।

হ'লনে এতিয়া হেৰা !
ক্ষুদ্ৰ মোৰ হিয়া ফেৰা,
বাহ্নহীন প্ৰেমৰ ফুলনি
পুণ্য সৌৰভৰ ?

জীৱন বসন্ত মোৰ
হইছে নে ভৰপূৰ ?
বইছেনে স্নিগ্ধ কু'কুলনি
মহা গৌৰৱৰ ?

সেইবাবে তুমি আজি
প্ৰেমৰ সাজেৰে সাজি
থিয় আহি দিছা সন্মুখত,
বিচিত্ৰ বেশেৰে ;

প্রেমৰ বাঁহীটি ধৰি,
বজাইছা প্ৰাণ ভৰি,
জীৱনৰ দুৱাৰ-মুখত
সৰস তানেৰে।

এনেটোহে যদি সঁচা
বিৰহৰ লোৰে ৰচা
কবিতাটি তব চৰণত
দিওঁ উপহাৰ;

জনমে জনমে হৰি,
নিদিবা নিদিবা এৰি,
উজ্জলাই থাকিবা প্ৰাণত,
কল্পনাৰ পাৰ।

কৰম সোঁতত পৰি
দূৰলৈ গ'লে আঁতৰি,
কৈ দিবা কি পথেৰে পাম
তোমাৰ ওচৰ;

তুমি আছা সিপাৰত
মই বাসনা আঁৰত,—
কৈ দিবা কেনেদৰে পাম
তোমাৰ পোহৰ।

কাহানি ভ্ৰমত পৰি
তোমাক গলে পাহৰি,
লয়লাসে অন্তৰত আছি
সোমাবা নীৰেৰে ?

'এনুৰা বন্ধনহীন
প্ৰেমৰ মধুৰ বীণ
বজাবাহি অন্তৰত হাঁহি,
সুধাৰ সুৰেৰে ?

তুমি যদি নাহা প্ৰভু
হেৰা মোৰ বিশ্ব-বিভু !
কিৰূপেনো মন্দিৰ সজাওঁ
আসন তোমাৰ ?

প্ৰেমত আকুল হোৱা,
হৃদি-পদ্ম পমি যোৱা,
কথা এটি কিদৰেনো পাওঁ
মুখৰ তোমাৰ ?

—অন্তহীন আদিহীন—
তুমি তুলনা বিহীন ;—
তবু ৰূপ বিজালে জগত
হেৰা বিশ্বপাল !

অনন্ত ৰহস্য ভৰা
প্ৰেমেৰে উপচি পৰা
অতি ক্ষুদ্ৰ ক্ষুদ্ৰ ই জগত,
বিন্দুৰ এফাল।

নাপালে তোমাক নাথ,
কি সকাম দীননাথ!
ক্ষুদ্ৰ এই দগ্ধ জীৱনৰ?
—আলাই আথানি।

ৰহিবা হিয়াত আহি,
সকলো যাতনা ভাহি,
গুচি যাব তিয়াগি অন্তৰ,
শুনি তৱ বাণী।

তোমাৰ সঙ্গনি মই
ভাগ্যৰ মূৰত গৈ
হওঁ যদি বিশ্বৰ বুকত
গৰাকী অতুল,

তথাপি নালাগে মোক
মাত্ৰ মই খোজোঁ তো'ক,
ক্ষুদ্ৰ এই হিয়াৰ চুকত
সাধনাৰ কুল!

আহাঁ তেন্তে আহাঁ ভাই
হিয়াত লোৱাহি ঠাই ;
সজা আছে আসন শীতল
প্ৰাণৰ জুৰণি ;

শুনি সান্ত্বনাৰ কথা
উটাওঁ বিৰহ বেথা ;—
সেৱি পদ কৰোঁ সুশীতল
প্ৰাণৰ পোৰণি ।

## ৬

নিদিয়া নালাগেচোন,
থাকা বাক কেনেকই
প্ৰাণৰ সুখত।

অৱহেলি অভাগাক
এনুৱা বিমুখ হই
দুৱাৰ মুখত।

আগতে বিকাশি দিলা
তৃপ্তিৰ জুৰণি হেতু
মহা উলাহেৰে ;

এতিয়া আমনি লাগি
ভাবি বুলি ধূমকেতু
এৰিবা কিদৰে ?

এয়ে নে কি বিশ্বনাথ !
জীৱনৰ শিতানত
তোমাৰ ধৰম ?

টানি লোৱা সম্পদত
এৰি দিয়া বিপদত,—
—অদ্ভুত মৰম !—

এজনক প্ৰেম দিলে
প্ৰেম প্ৰতিদান পায়
ৰীতি জগতৰ ;—
দিয়া-লোৱা দুটি ভাব
একেবাহে পোহৰায়
অসীম অন্তৰ ।

দিয়া লোৱা ভাৱতেহে
আদিহীন ৰহস্যৰ
বিকাশ তোমাৰ ;
মোক অৱহেলা কৰি
কোৱাঁ কি বিপদচৰ !
গৌৰৱ তোমাৰ ।

নিজক বিলাই দিব
তাতেহে নিজক পাব
প্ৰাণৰ মাজত;—
নিজক দিলেহে এৰি
প্ৰাণৰ আপোন হ'ব
সকলো বিশ্বত।

অবহেলি মোক জানো
পাৰিবা সামৰি লব
অস্তিত্ব তোমাৰ?
আদিহীন অন্তহীন
মোতে দেখোঁ গঁথা তব
পূৰ্ণতাৰ পাৰ?

তোমাত হৃদয় মোৰ
মোত আৰু তযু হিয়া
ৰাখিছা প্ৰকাশি;
মোক এৰি প্ৰাণনাথ!
লাভ একো নাইকিয়া
আনন্দেৰে হাঁহি।

মোৰ হৃদয়ৰ স’তে
মহা গঁথনিৰে গঁথা
হৃদয় তোমাৰ!
মোৰ অনুভূতি স’তে
আলোড়ি ঝঙ্কাৰি উঠা
ব্ৰহ্মাণ্ডৰ তাঁৰ।

যি এটি বিৰহ বাজি
আকুলে পৰাণ মোৰ
ৰিণিকি ৰিণিকি,
তাতেই তোমাৰো দেখোঁ
জ্বলিছে তৃপিতিবোৰ
ঢিমিকি ঢিমিকি?

হিয়া দাপোনত মোৰ
অনন্ত চানেকি তৰু
তোলা জিলিকাই;—
ক্ষুদ্ৰ মই সেই বাবে
তৃপ্তি নাই যেন বুজোঁ
মোক ভাল পাই।

কল্পনা ৰথত উঠি
ব্ৰহ্মাণ্ডৰ সৰজন
কাৰ সহায়েৰে ?
প্ৰেমত বিভত হই
প্ৰকৃতিৰ মহাধন
চুমিছা কিহেৰে ?

নহলে জন্ম মোৰ
কিদৰে তোমাৰ এই
গৌৰৱ-শলাগ ?
অসীম বিকাশ তব
মোক এৰি কেনেকই
কৰিবা সজাগ ?

প্ৰেমময় ৰহস্যৰ
উজনিত বহি তুমি
চলাবা জগত ;
মই তাক ভাবি ভাবি
সাঁতুৰিম জুমি জুমি
প্ৰকৃতি আঁৰত ।

।সময়ী বিলাসেৰে
জ্বলে তযু মন্দিৰত
লাহৰী উষাই ;
সিও দেখোঁ মনোময় !
মোৰে মাত্ৰ আবেগত
উদগনি পাই ?

তযু ফুলনিত কত
সুধাকণ্ঠি বিহঙ্গম
ফুৰে ৰমলাই,—
সুৰাগী ফুলৰ কত
হাঁহে ৰেণু মনোৰম,
পৰাণ পমাই ।

সুশীতল সুবিমল
বিলৰ বুকত নাচে
পদুমী লাহৰী ;
সুষমা সুন্দৰী কেনে
বাসন্তী কাছোনে কাছে
বিৰহ পাহৰি ।

উগুল থুগুল মন
    সুন্দৰীয়ে সোণোৱালী
        ৰূপ ৰস পাই ;
সুৰাগৰ চাকি সাজি
    প্ৰেমিকাৰ আশা পালি
        থাকে বাট চাই।

এটি দুটিকৈ পৰি
    চুমাৰ চেনেহী কোব
        উঠে ৰঙা হই ;
দুয়ো হিয়া ওপচাই
    মিলনৰ মহোৎসৱ
        হাঁহি পৰে বই।

অগ্নিময় গ্ৰহগণে
    অগ্নিভৰা মুখনিৰে
        ইটিয়ে সিটিক
ভাৱত আকুল হই
    সম্ভাষিছে আদৰেৰে—
        —নিখুঁত প্ৰেমিক!

হৃৱাৰ মুখত তযু
পুণ্যভৰা পৰিমল
ৰাখিছা লুকাই ;
জগত-জীৱন ৰূপ
আলোকৰ সুবিমল
প্ৰদীপ জ্বলাই।

ভৱপূৰ বাসনাই
অনন্ত বিলাস তোলে
তযু মন্দিৰত ;
সৰস উপভোগৰ
সুৰভিত ফুল্ল ফুলে
নৱমু ছন্দত।

ধৰণীৰ বুকু ফালি
তযু নাম অভ্ৰভেদী
সঙ্গীতৰ ধাৰ,
উঠে মহা গতি ধৰি
হৃদয়ৰ ভিতৰেদি
চমকাই তাঁৰ।

নিমাত নিশাত কত
উজাগৰে থাকি থাকি
উগ্ৰ আবেগত,
নেদেখা নুশুনা সেই
চাওঁ প্ৰতিমাটি ৰাখি
প্ৰাণৰ মাজত।

যিমান খেলিছা তুমি
প্ৰেমভৰা কল্পনাৰ
অনন্ত খেমালি;
দেখাইছা জগতক
ৰসভৰা ৰচনাৰ
স্নায়ু-পথ ফালি।

মোৰে শকতিৰে দেখোঁ
সাধিছা সকলো কাম
তৃপিতি সামৰি;
মোৰে ভিতৰেদি দেখোঁ
ফুলি উঠে তযু নাম
ব্ৰহ্মাণ্ড বিদাৰি।

মই নহলেনো নাথ!
ভকতি-তুলিৰে আঁকি
হৃদয় পটত,—
নানা ৰূপ ৰস সানি
তোমাকেই ৰচি থাকি
প্ৰাণ হৰষত,

কোনে কোৰাঁ প্ৰেম ভৰা
ভাৱত বিমোৰ হই
নাচিলেহেঁতেন ;
কোনে কোৰাঁ জীৱনৰ
পদুলিত ৰই ৰই
কান্দিলেহেঁতেন ?

মোক এৰি প্ৰাণনাথ,
বিশ্বৰ মূৰত বাজি
কৰুণা তোমাৰ,
কাহানি ফুলাব পাৰে
বিশ্বৰ জীৱন ৰাজি
মাধুৰী অপাৰ ?

মই নহলেনো কোৰ্ৰা

কি দৰে প্ৰকাশি পৰে

গৌৰৱ তোমাৰ?

বিশ্বৰ ৰচনা দেখি

প্ৰাণ চাটি-ফুটি কৰে

প্ৰেমত তোমাৰ।

কিয় তেন্তে প্ৰাণময়!

পুণ্যময় প্ৰেমময়!

অবহেলা মোক!

পাচত দেখিবা বাক

সুমৰিবা নিৰদয়!

অন্তহীন শোক।

আহাঁ তেন্তে আহাঁ নাথ,

আথেবেথে অন্তৰত

পৰাঁহি সোমাই;

প্ৰেমৰ অজেয় গীত

নীল নিকা আকাশত

তোলাহি ভৰাই!

আজি মোৰ সাধনা-ফুলনি,
কাৰ কিনো পাই উদগনি,
পোহৰাই মহা বিশ্বখনি,
উলাহেৰে হাঁহিছে ;

অনন্ত বসন্ত সুবিমল,
প্ৰেম-পুণ্য প্ৰীতি পৰিমল,
সঙ্গীত সুশান্ত সুশীতল,
আনন্দত ভাহিছে।

কি প্ৰেমৰ বিলাস ৰাগৰে,
কামনাৰ লহৰি ভাগৰে,—
তৃপিতিৰ অপাৰ সাগৰে,
নিয়ে আজি উটাই ;

উপাদান অমৃত ভোগৰ,
মহামন্ত্ৰ অনন্ত যোগৰ,
সঞ্জীৱনী মহা মৰণৰ,
দিয়ে আজি গোটাই

শান্তিময় মহা গান চলে,
মঙ্গল মলয়া কেনে বলে,
আনন্দ-লহৰি কলকলে,
উঠে হিয়া আগুৰি ;

অতৃপিতি, হিয়াৰ মাজত,
আঁতৰাই বিশ্বৰ বাজত,—
প্ৰাণ মোৰ মহা সৌন্দৰ্য্যত,
পৰে আজি বাগৰি।

প্ৰেমময়ী উষাৰ ৰাগিণী,
প্ৰীতিময়ী বাসন্তী বিননি,
শান্তিময়ী সঙ্গীতৰ ধ্বনি,
কোনোবা অজানাৰ ;

ৰেখাহীন ইঙ্গিতত কাৰ,
জনকাই ব্ৰহ্মাণ্ডৰ তাঁৰ,
ওপচায় অপূৰ্ণ হিয়াৰ,
বিৰহ পাৰাবাৰ।

অতৃপ্তিৰ আকুল উকলি,
জীৱনৰ কামনা কুকলি,
গানমানে জুকলা-জুকলি,
শান্তি লভি ফুলিছে

কল্পনাৰ সুপ্ত-গ্ৰন্থি যত,
হেঁচা খাই হোৱা বিবৰত,
কোনে আজি চেনেহৰে কত,
হাঁহি হাঁহি মেলিছে।

হিয়াৰ শুকান পথাৰত,
সিঁচি ভক্তি-পানী অবিৰত,
কইছিলোঁ কল্পনা-পাৰত,
প্ৰেম ফুল পাহিটি;

আশা-লতা কত পুহিছিলোঁ
কতনা মালিকা গাঁথিছিলোঁ,
মোৰ তাক কত থাটিছিলোঁ,
বন্ধোৱাৰ বাঁহীটি।

কতদিন বাট চাই চাই
বিৰহৰ বীণ খনি বাই
ফুলে ফুলে ফুলে বুলি হায়!
নঙলাৰ মুখত;

মলয়াক কিমান খাটিলোঁ,
জোনাইক মিনতি কৰিলোঁ,
ভোমোৰাক কিমান মাতিলোঁ,
নচুৱাৰ লাসত।

অগ্নিভৰা বেলিৰ তলত,
কতদিন সুযোগ ছলত,
আকাশৰ সাঁৰটি গলত,
কাকুতিলোঁ কতনা;

অভিমান ৰসাল ভেমৰ.
অশ্রুটুপি সৰস প্রেমৰ,
আঁজলি আবেগ-কুসুমৰ,
সঁপি দিলোঁ যতনা।

জীৱন-বীণত সুৰ তুলি,
কত উপাসিলোঁ প্ৰাণ খুলি,
যদি পৰে পৰে পৰে বুলি,
সৰগৰ জেউতি।

সাধনাৰ ফুলটি ফুলাব,
মিলনৰ সুগোন্ধ বিলাব,
সান্ত্বনাৰ সোঁতত মিলাব
জীৱনৰ ধাউতি।

সাধনাৰ তুভাগ নিশাত,
সুবিশাল প্ৰকৃতি নিমাত,
থাপিছিলোঁ প্ৰতিমা হিয়াত
কত হাবিলাষেৰে;

মনমোহা হাঁহি এটি মাৰি,
সকলো বিলাই নিব কাঢ়ি,—
উথলিব প্ৰেম-লতা, বাঢ়ি,
অটল থিয়ানেৰে।

সৌন্দৰ্য্যৰ সুন্দৰ সুৰভি,
আলোকৰ সুবিমল ছবি,
বিলাসিব সুধাময় ৰবি,
পোহৰাই সৃষ্টি;

মিলনৰ জাননী বিলাব,
হৃদয়ৰ লগত মিলাব
বিশ্বৰ হৃদয়,— উজ্জ্বলাব
মোৰ কণা দৃষ্টি।

আজি সেই সাধনাৰ পুলি,
অসীমৰ সঁতে মিলি-জুলি,
প্ৰেম প্ৰীতি কুসুমেৰে ফুলি,
হালি-জালি হাঁহিছে;

আজি মোৰ হিয়াৰ প্ৰতিমা,
তুলি কেনে মধুৰ ভঙ্গিমা,
অন্তৰৰ উটাই কালিমা,
নয়ন'সে আহিছে।

জগতৰ ক্ষুদ্ধ অণুবোৰ,
কৰি কেনে প্ৰেমত বিভোৰ,—
তাৰে স'তে গাঁথি হিয়া মোৰ,
উলাহেৰে কেনুৱা ;

জীৱনৰ ছিত্ৰ চাই চাই,
মিলনৰ মাধুৰী ভৰাই,
প্ৰাণভৰা প্ৰেমেৰে পমাই,
বাজে বিশ্ব বেণুৱা ।

মঙ্গলৰ প্ৰদীপ সজাই,
জীৱনৰ জোকাৰ জগাই,
আনন্দৰ দুন্দুভি বজাই,
আদৰণি শৰাই ;

হৃদয়ৰ তুলি ফুল ভক্তি,
জগতৰ সকলোটি শক্তি,
নিৰ্ম্মল উদাৰ অনুৰক্তি,
দিছে আগ বঢ়াই ।

শান্তি ভৰা জীৱন-নিশ্বাস,
দীপ্তিময় বিমল বিশ্বাস,
তৃপিতিৰ আকুল ইচ্ছাক,
উজ্জ্বলাই তুলিছে;

তাহানিৰে গাঁথি দিয়া বান্ধ,
ভাঙি ছিঙি পাতি থোৱা ফান্দ,
সেই মো'ৰ সাধনাৰ গান,
কোনে আজি খুলিছে।

আগে পাচে চাৰিও কাষত,
হাঁহি হাঁহি কেনে উলাহত,
হাঁহিৰ বিজুলী কি লাসত,
জ্বলি আজি উঠিছে;

অন্তহীন প্ৰেম পুণ্য ভানু,
পোহৰাই বিশ্ব পৰমাণু,
আন্ধাৰত পৰোঁ বুলি হেনো,
অন্তৰত ফুটিছে।

কোন আছা পথিক অনন্ত,
হেকৰাই শান্তিৰ বসন্ত,
শান্তিময় মলয়া শ্ৰীমন্ত,
লাগে,— কায চাপঁাহি ;

অতৃপিতি তীব্ৰ কামনাৰ,
উদ্ভণ্ডালি উগ্ৰ ভাবনাৰ,
বিশাল বিশ্বৰ সাধনাৰ,
চৰণত সৰ্পাঁহি ।

এনে জন মইও আছিলোঁ,
বাসনাত প্ৰাণ ঢালিছিলোঁ,
জীৱনৰ লক্ষ্য ভুলিছিলোঁ,
মজিছিলোঁ ভোগত ;

হাবাথুৰি খালোঁ কত দিন,
লুব্ধ-প্ৰাণ দিনে দিনে ক্ষীণ,
মঙ্গলৰ আশীৰ্ব্বাদ হীন,
কামনাৰ ৰোগত ।

সাধনাৰ সোণালী খেণত,
আউজিলোঁ মহা মিলনত,
সেইবাবে বিশ্বৰ বুকত,
            আজি মই বহিছোঁ;

ভাতেহে নিছলা আজি মই,
বিভ্রান্ত বাসনা নিচুকাই,
এনে মহা শক্তিবান্ হই,
            আনন্দেৰে হাঁহিছোঁ।

সেইবাবে তোমাকো মাতিছোঁ,
মহা শান্তি উৎসৱ পাতিছোঁ,
মোৰে স'তে অনন্ত গাঁথিছোঁ,
            আহি যোগ হোৱাহি।

এই উৎসৱত মোৰ আজি,
উঠিছে অনন্ত গীত বাজি,—
ভকতিৰে মন-প্ৰাণ ৰাজি,
            আশীৰ্ব্বাদ লোৱাঁহি।

তেতিয়া বুজিবা তুমি ভাই,
সীমত অসীম সুমুৱাই,
মিলনৰ মহা গীত গাই,
কেনে শান্তি লভিবা;

ক্ষুদ্র এই যেতিয়া প্রাণক,
অনন্তই অটল ধ্যানত,
মগ্ন হব প্রেমৰ গানত,
তেতিয়াহে বুজিবা।